Rel

নমিতাৰ প্ৰতি মনমোহোৱা

কলমচিত কবিতা

# 'কল্পদ্ৰুম'ৰ ২৯ তম বৰ্ষ

APP No. R.N.I. AP. NO. 3A. A. TC-89

৩য় - ৪ৰ্থ সংখ্যা, মাৰ্চ- এপ্ৰিল ২০১৭ ইং চন



সম্পাদনা আৰু প্ৰকাশিকা ঃ বিনীতা দেৱী বৰুৱা দাস

সহঃ সম্পাদক ঃ মৃন্ময় দাস

**দূৰভাষ- ৯৪৩৫০-৪৮০৬৭, ৯৬৭৮৪২১৬৭০**

**আৱাসিক দূৰভাষ-(০৩৬১) ২৮৪০০১৪**

ই-মেইল ঃ abc_mri@rediffmail. com

ৱাট্‌চাপ নং ঃ ৯৯১০৬৫৬৬৩৫

ঠিকনা

কল্পদ্ৰুম ভৱন, আজাৰা গোসাঁইপাৰা, গুৱাহাটী (কামৰূপ মহানগৰ)

ডাক সূচাংক ঃ ৭৮১০১৭

## গ্ৰন্থ পৰিচয় ঃ

'জীৱন চাগৈ এনেকুৱাই' — ড°

নমিতা কলিতা এশ এটা কবিতাৰে পুষ্ট এই পুথিখনি। অন্তৰ চুই যোৱা প্ৰতিটো কবিতাত আছে কবিৰ মনন চিত্ৰ। সহজ-সৰল ভাষাৰে আত্মোপলব্ধিৰে সজোৱা কবিতাখিনিত কবিৰ সৰল বাস্তৱ চৰিত্ৰ দেখা পোৱা গৈছে। ১১২ পৃষ্ঠাৰ এই কবিতা পুথিখনত সন্নিবিষ্ট প্ৰত্যেকটো কবিতাই যেন এটি সুন্দৰ গীত। প্ৰত্যেকটো কবিতাই সুন্দৰ এটা গতিত চিৰন্তন সত্য ছবিবোৰ উজলাই তুলিছে। বেটুপাত অতি সুন্দৰ। মূল্য পঞ্চাশ টকা। 'জীৱন চাগৈ এনেকুৱাই কবিতা পুথিখনে পাঠকৰ সমাদৰ লাভ কৰক। কবিলৈ শুভেচ্ছা থাকিল।

## শ্ৰদ্ধাঞ্জলি ঃ

যোৱা মাৰ্চ মাহত 'কল্পদ্ৰুম'ৰ শুভাকাংক্ষী কবি কল্পদ্ৰুম বঁটা প্ৰাপ্তক ২০০৯ অমিয়া দেউৰী, কবি কল্পদ্ৰুম-২০১১ হৃষীকেশ দত্ত বৰুৱা আৰু বিশেষভাৱে সম্বৰ্দ্ধিত ১৯৯৭ ড° কুঞ্জ মেধীৰ মহাপ্ৰয়ান হয়। তেখেত সকলৰ বিদেহী আত্মাৰ সদ্‌গতিৰ অৰ্থে পৰমপিতাৰ ওচৰত কল্পদ্ৰুম কবি গোষ্ঠীৰ তৰফৰ পৰা প্ৰাৰ্থনা জনালোঁ।

## জ্বলি থাকে বুকুৰ মাজত শব্দহীন অৰণ্য মহা অৰণ্য

মনোৰমা দাস, নুনমাটি

তুমিতো জানাই মোৰ বুকুৰ মাজত
জ্বলি থাকে এক শব্দহীন মহা অৰণ্য
তুমি জানাই বহু বছৰৰ পৰাই মোৰ অসুখ
হিয়াৰ কোঁহে কোঁহে, তেজৰ শিৰাই-উপশিৰাই
শৰীৰত এৰাব নোৱাৰা বিষ
হাতত মাথো তুমি দিয়া কলম কেইটা
সেই যে এদিন হাতত তুমি কলম কেইটা তুলি দিছিলা
টেবুলত কেইখিলামান বগা উকা কাগজ
সন্মুখৰ কাঁচৰ ফ্ৰেমত কেইখনমান ৰঙীন ফটো।
আৰু মোৰ বুকুৰ মাজত জ্বলি থাকে
এক শব্দহীন অৰণ্য আৰু মহা অৰণ্য
ভাবিছিলোঁ এটি কবিতা লিখিম তোমাৰ বাবে
লিখিব পৰা নাই বহুদিন ধৰি
পুৰণি ৰোগটোৱে উক্ দিছে
মন আৰু শব্দৰ যেন অঘোষিত যুঁজ
নুপূৰ নে পদধ্বনি তোমাৰ
ছাঁ পোহৰৰ আঁৰত লয়-লাস ভংগী
ভাবিছিলোঁ সেইবোৰ চাইয়ে
তোমাৰ বাবে কবিতা এটি লিখিম
তোমাৰ দুগাল ৰঙীন হৈ উঠিব
মোৰ গোলাপ কবিতাৰ ৰ'দেৰে।